STATE CENTRAL LIBRARY
Call No.
ASSAM.

অভিনেত্ৰী

ৰোহিণী বৰা

STATE CENTRAL LIBRARY
Call No. ......
ASSAM

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩ : দিছপুৰ, গুৱাহাটী-৭৮১০০৬

ABHINETRY : A Collection of Short Stories written by Rohini Bora and Published by Bangshidhar Sarmah. M/s. Gauhati Book Stall, Gauhati-781003.
Price Rupees Five only.

। প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ।
। প্ৰথম প্ৰকাশ : চেপ্টেম্বৰ, ১৯৭৬ চন ।
। বেটুপাতৰ ছবি : গুৱাহাটী আৰ্টিষ্ট গীল্ড ।
। ছপা : শ্ৰীঅজিত কুমাৰ ৰায় ● শ্ৰীসাৰদা প্ৰিন্টিং ● ঘোষ লেন ● কলিকতা-৬ ।
। বন্ধা : শ্ৰীশিৱসাধন ঘোষ ● জবা বাইণ্ডিং ৱাৰ্কচ্ ● কলিকতা-৬ ।

। মূল্য : পাঁচ টকা মাথোন ।

অগ্রগণি, প্রথিতযশা সাহিত্যিক-সাংবাদিক-চিন্তানায়ক শ্রীবীরেন্দ্রকুমার ভট্টাচার্য্যদেবের করকমলেষু।

॥ অভিনেত্রী ॥ রোহিণী বধা ॥

কৃতজ্ঞতা আৰু অনুপ্ৰেৰণা—

'অভিনেত্ৰী' গল্প সংকলনটি প্ৰকাশৰ যোগ্য কৰি তোলাত উদীয়মানা সাহিত্যপ্ৰেমী ছাত্ৰী শ্ৰীদীপালী ৰাজখোৱা আৰু শ্ৰীইলা ৰাজখোৱাৰ অৱদান অন্যতম। এওঁলোক দুয়োৰে উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

সংকলনটিৰ সপোন বাস্তৱত পৰিণত কৰাত গুৱাহাটী বুক ষ্টলৰ মালিক শ্ৰীবংশীধৰ শৰ্মাৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনোৱা হ'ল। মহিম বৰাৰ ভাষাত শ্ৰীশৰ্মা এক কথাৰ মানুহ যে এইটো তেখেতৰ লগত প্ৰথম সাক্ষাততে প্ৰমাণ পোৱা গৈছিল। তেখেতৰপৰা অসমৰ ন-পুৰণি লিখক গোষ্ঠীয়ে প্ৰচুৰ অনুপ্ৰেৰণা লাভ কৰাৰ যথেষ্ট স্থল আছে।

এটা দশকৰো ওপৰ গল্প লেখি সকলোবোৰ আলোচনী আৰু কাগজে-পত্ৰে সময়ত লীন যাব বুলি ধৰি লৈছিলোঁ। কিন্তু বিবাহিত জীৱনত শ্ৰীমতী মিনুৰ চেষ্টাতহে সিঁচৰতি গল্পবোৰৰ কেইটামানেৰে এই সংকলনটি প্ৰকাশ হ'বলৈ পালে। ইয়াত সন্নিবিষ্ট কৰা প্ৰায়কেইটা গল্প পূজা আৰু বিহু সংখ্যা দৈনিক অসম, অসমবাণী, আমাৰ প্ৰতিনিধি আদিত প্ৰকাশ হোৱা। ইতি—

ৰোহিণী বৰা

গল্পসমূহ—

অভিনেত্রী	...	...	১
ধনুষ্টঙ্কার	...	...	১৯
নাইট কুইন	...	...	৩১
রবার্টের মেম	...	...	৩৯
বিবেকানন্দর কাঁচী	...	...	৪৫
শূর্পণখা	...	...	৫৭
অকিঞ্চন	...	...	৬৩
সর্বগ্রাস	...	...	৭৫
মাছ-মড়ই-মানুষ	...	...	৮৩
প্রহরী	...	...	৯৫

অভিনেত্ৰী

পদূলিমুখৰ পত্নম পুখুৰীত সাঁতুৰি সাঁতুৰি ভাগৰি পৰাত, মৌচুমী পাৰলৈ উঠি আহি ক্ষন্তেক বহিল। চাৰিওফালে চালে। কোনো-বাই তাইৰ তিতি থকা দেহটো জুমি চাই আছে নেকি বাৰু? নাই। কাষেদি বৈ যোৱা বেঁকী নদীৰ পাৰত হজবৎ মিঞাই বিৰিণা কাটি আছে। সি তাইলৈ মন কৰা নাই। পলকতে তাই নিজৰ গাটো চাই ল'লে। তাই উপলব্ধি কৰিলে তাইৰ দেহটোৰ কমনীয় কান্তি-বোৰ যেন শৰত কালৰ পূর্ণিমাৰ জোনটোৰ দৰে উজ্জ্বল আৰু নিটোল।

আনন্দতে তাই আকৌ পত্নম পুখুৰীত জঁপিয়াই পৰিল। ওপৰলৈ মূকৈ হাত আৰু ভৰি মাৰি মাৰি তাই পাৰেমানে চিলনী সাঁতোৰ মাৰিলে। মধ্যাহ্নৰ স্নিগ্ধ ৰ'দত পুখুৰীৰ পানীৰ মাজত তাইৰ দেহটো পুঠি মাছৰ গাৰ দৰে তিৰবিৰাবলৈ ধৰিলে। পুখুৰীৰ অশান্ত জলপৃষ্ঠৰ ঢৌৱে ঢৌৱে সৃষ্টি হোৱা সূকযৰ ক্ষুদ্ৰ ৰূপালী টুকুৰাবোৰ মৌচুমীৰ দুয়ো চকু ভেদ কৰি তাইৰ হৃদয়সমুদ্ৰ চঞ্চল কৰি তুলিলে। নিচেই পুৱাতে পোৱা শুভ বাৰ্তাটোৱে তাইক আৰু বেছি চঞ্চল কৰি তুলিলে।

এদিন তাই কমলৰ কিতাপৰ দোকানত অসম বাণীৰ পৃষ্ঠবোৰ মোকোলাই চাই থাকোঁতেই এটা বিশেষ বিজ্ঞাপন দেখিছিল। এগৰাকী অসমীয়া অভিনেত্ৰী লাগে। বয়স বাইশৰ কম। ন্যূনতম শিক্ষা মেট্ৰিক পাছ, বৰণ মিঠা, উচ্চতা চাৰে পাঁচ ফুট আৰু বুকু,